# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-09-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হোৱা ষোড়শ বিত্তীয় আয়োগৰ অধ্যক্ষৰ নেতৃত্বত দলটোৱে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰীসকলক তথা কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। দলটোৱে লগতে বিভিন্ন ৰাজনৈতিক দল, স্থানীয় সংস্থা, পৰিষদ আৰু উদ্যোগৰ প্ৰতিনিধিৰ সৈতেও আলোচনা কৰে। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে দেশৰ প্ৰতিখন ৰাজ্যৰ বাবে কৰ বিভাজন আৰু দৰিদ্ৰতা দূৰীকৰণৰ বাবে বহুমুখী আৱণ্টনৰ লক্ষ্যৰে শ্ৰেণী বিভাজন কৰাৰ পৰামৰ্শ দিয়াৰ কথা বিত্ত আয়োগৰ অধ্যক্ষ ড০ অৰবিন্দ পানাগাৰিয়াই উল্লেখ কৰে। বৈঠকৰ পাছত সংবাদমাধ্যমক সম্বোধন কৰি অধ্যক্ষগৰাকীয়ে কয় যে, চুবুৰীয়া ৰাজ্যসমূহক পেট্ৰ'লিয়ামজাত সামগ্ৰীকে ধৰি আবকাৰী কৰৰ হাৰ পোৱাৰ বাবে কৰ বিভাজনৰ ক্ষেত্ৰত অসমৰ অংশ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। অধ্যক্ষগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীয়ে দৰিদ্ৰতা দূৰীকৰণৰ লক্ষ্যৰে বহুমাত্ৰিক আৱণ্টনৰ বাবে শ্ৰেণী বিভাজনৰ পৰামৰ্শ আগবঢ়োৱাৰ উপৰি ৰাজ্যসমূহৰ সম্পদৰ পুলৰ পৰা ৫ শতাংশ আৱণ্টন বিচাৰিছে বুলিও জানিবলৈ দিয়ে। উল্লেখযোগ্য যে বিত্তীয় আয়োগৰ দলটোৱে ৰাজ্যখনৰ নেতাসকলৰ সৈতে বিত্তীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ কাৰ্যসূচী লৈছে। কাইলৈ দলটোৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী আৰু অন্যান্য স্থান পৰিদৰ্শন কৰিব। দলটোৱে ২০২৫ চনৰ ৩১ অক্টোবৰৰ পূৰ্বে আয়োগৰ পৰামৰ্শসমূহ প্ৰদান কৰিব আৰু এই পৰামৰ্শাৱলী ২০২৬ চনৰ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত কৰ ৰাজহ বিভাজন সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে ৰাষ্ট্ৰপতিয়ে বিত্তীয় আয়োগ গঠন কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত ৰাজ্যখনৰ শিক্ষা প্ৰতিষ্ঠানসমূহত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ সৈতে দক্ষতা বিকাশৰ পাঠ্যক্ৰমসমূহক একত্ৰিত কৰা সন্দৰ্ভত আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু দক্ষতা বিকাশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এই বৈঠকত ৰাজ্যখনৰ শিক্ষাৰ্থীসকলৰ বাবে অধিক ফলপ্ৰসূ শিক্ষণ অভিজ্ঞতা সৃষ্টি কৰাৰ লগতে তেওঁলোকৰ দক্ষতা বিকাশৰ বিষয়টোত গুৰুত্ব আৰোপ কৰাৰ বিষয়ে আলোচনা কৰা হয়। আজিৰ বৈঠকত শিক্ষা বিভাগ, দক্ষতা বিকাশ বিভাগ আৰু এন এছ ডি চিৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

কৰিমগঞ্জ জিলাত খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৫৭ হাজাৰ নতুন হিতাধিকাৰী বাছনিৰ বাবে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্তৰ নেতৃত্বত এখন সভা অনুষ্ঠিত হয়। বৈঠকত অহা ১৫ অক্টোবৰৰ ভিতৰত হিতাধিকাৰীৰ পৰা প্ৰয়োজনীয় নথিপত্ৰ সংগ্ৰহ কৰাৰ লগতে বৰ্তমানৰ ৰেচন কাৰ্ডধাৰীসকলৰ পৰাও এই নথিপত্ৰ সংগ্ৰহ কৰাৰ বাবে গ্ৰাম পঞ্চায়তক নিৰ্দেশ দিয়া হয়। নতুন ৰেচন কাৰ্ড আবেদনৰ বাবে আবেদনকাৰীয়ে পৰিয়ালৰ সকলো সদস্যৰ আধাৰ কাৰ্ড, শেহতীয়া ভোটাৰ তালিকা বা ভোটাৰ পৰিচয় পত্ৰ আৰু পৰিয়ালৰ মুৰব্বী অৰ্থাৎ আবেদনকাৰীৰ বেংক পাছবুকৰ প্ৰথম পৃষ্ঠা চি-ফৰ্মৰ লগতে ফটোকপি জমা দিব লাগিব।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৱা ১৯ ছেপ্তেম্বৰত ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে অৰুণোদয় ৩.০ প্ৰকল্পত ৩৭ দশমিক ২ লাখ পৰিয়াল বাছনি কৰাৰ লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত ১৯ লাখ ৯২ হাজাৰ ১৬৭জন হিতাধিকাৰীক সুবিধা প্ৰদানৰ কাৰ্যসূচী ঘোষণা কৰে।

০০০০০০০

২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে মানস ৰাষ্ট্ৰীয়  উদ্যান মুকলিৰ দিন সলনি কৰা হৈছে বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ তৰফৰ পৰা জানিব পৰা গৈছে। ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও বিভাগীয় কৰ্তৃপক্ষই কাইলৈৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ কাৰণে পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশে এক জাননীযোগে এই কথা সদৰি কৰিছে। উল্লেখযোগ্য যে কাইলৈ ৰাজ্যৰ পৰ্যটন বিভাগে বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত মানসত বিশ্ব পৰ্যটন দিৱস উদযাপন কৰাৰ বাবে প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। অৰ্থাৎ বিশ্ব পৰ্যটন দিৱসৰ সমান্তৰালভাৱে কাইলৈ পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰা হ'ব। ৰাজ্যৰ পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা পৰ্যটন দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। লগতে একেটা অনুষ্ঠানতে বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থকাৰ কথাও আছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিয়লি ৪ বাজি ৩১ মিনিটত ভূমিকম্পৰ মৃদু জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত ইয়াৰ প্ৰাবল্য ৪ দশমিক ৬ বুলি জানিব পৰা গৈছে। আনহাতে ইয়াৰ অভিকেন্দ্ৰ কামৰূপ জিলাৰ উপকণ্ঠ অঞ্চলত বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০

ক'ভিডত আক্ৰান্ত হৈ অকালতে প্ৰাণ হেৰুওৱা আকাশবাণী গুৱাহাটীৰ অংশকালীন বাতৰি পৰিৱেশক, নাট তথা বৰগীতৰ শিল্পী গোলাপ শইকীয়াৰ পঞ্চম মৃত্যুবাৰ্ষিকী উপলক্ষে আজি কেন্দ্ৰটোৰ আঞ্চলিক বাতৰি বিভাগৰ কাৰ্যালয়ত স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়। ২০২০ চনৰ আজিৰ দিনটোতে ক'ভিডত আক্ৰান্ত হৈ শইকীয়াৰ দেহাৱসান হৈছিল।

০০০০০০০

সমাপ্ত